# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-10-2025 **Time :** 1715Hrs.

## ASSAMESE REGIONAL NEWS

ooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাচীত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বুজ লোৱাৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। জিলাখনৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক্ প্ৰদান কৰে। দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোক এই চেক্ প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ১৫ অক্টোবৰৰ ঘটনাৰ পাছতে পৰা গাঁওখনৰ বহু যুৱক ঘৰৰ পৰা আঁতৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যুৱকসকলক ঘৰলৈ ঘূৰি আহি আৰক্ষীক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কুৰেৰীত থকা লক্ষ্মী মন্দিৰ আৰু শিৱ মন্দিৰৰ বাবে ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া বুলি কয়।

*-বাইট-*

ooooooo

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হয়। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰে গঠিত দুজনীয়া দলটোৱে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিনৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য সংগ্ৰহ কৰে। ছিংগাপুৰ আৰক্ষীৰ সৈতে এছ আই টিৰ দলটো প্ৰায় ৩ ঘণ্টা আলোচনাত মিলিত হোৱাৰ পাছত আৰক্ষীয়ে এছ আই টি সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ৩ মাহৰ ভিতৰত ছিংগাপুৰ আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰিছে। অসমৰ পৰা যোৱা এছ আই টিৰ দলটোৱে ইতিমধ্যে জুবিন গাৰ্গ থকা হোটেলখনৰ লগতে দূৰ্ঘটনা সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰিছে।

ooooooo

ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে কাহিলিপাৰাৰ দশম অসম আৰক্ষী ছাউনীত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে দেশৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও শ্ৰদ্ধাঞ্জলি জনায়। দিৱস উপলক্ষে আকৰ্ষণীয় পেৰেড অনুষ্ঠিত হয়। আৰক্ষী স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীলৈ অভিবাদন জ্ঞাপন কৰে। দেশক ৰক্ষা কৰাৰ বাবে আৰক্ষীৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে। তেওঁ কয়, যে আৰক্ষীৰ নিৰন্তৰ সেৱাই জনসাধাৰণক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰি আহিছে।

হাটশিঙিমাৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়তো আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষক হৰেণ টক্বীয়ে আৰক্ষীৰ স্মৃতি দিৱস সম্পৰ্কে আলোকপাত কৰে।

ooooooo

গুৱাহাটী প্ৰেছ ক্লাবৰ সাধাৰণ নিৰ্বাচনৰ ভোট গ্ৰহণ আজি সুকলকমে সম্পন্ন হয়। পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ চলা এই ভোটগ্ৰহণত এহেজাৰ ১১৪গৰাকী ভোটদাতাৰ ভিতৰত ৯৩৪ গৰাকীয়ে ভোটদান কৰে। মুঠ আঠটা পদৰ বিপৰীতে ২০জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কাইলৈ পুৱা ৯ বজাত ভোটগণনা আৰম্ভ হ'ব।

000000000

অসম চৰকাৰে ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱৰ বাবে মনোনয়ন আহ্বান কৰিছে। বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। এগৰাকী ব্যক্তিয়ে নিজকে বা আন এগৰাকী ব্যক্তিক এই সন্মানৰ বাবে মনোনীত কৰিব পাৰে। assamcivilianawards.assam.gov.in প'ৰ্টেলৰ জৰিয়তে লাভ কৰা মনোনয়নসমূহকহে বৈধ বুলি বিবেচনা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২০ নৱেম্বৰ ধাৰ্য কৰা হৈছে। এই সন্মান লাভ কৰা সকলে নগদ ধনৰ পুৰস্কাৰ, চৰকাৰী আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়ত ৫ লাখ টকালৈ বিনামূলীয়া চিকিৎসাৰ সুবিধা, চৰকাৰী আৱৰ্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত বিনামূলীয়া থকা-খোৱাৰ ব্যৱস্থাকে ধৰি কেইবাটাও সুবিধা লাভ কৰিব পাৰিব।

0000000

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মঙলদৈ সাহিত্য নগৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট নাগৰিক হাৰুনাৰ ৰছিদ হাজৰিকাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। মঙলদৈ নগৰৰ দুই নম্বৰ ৱাৰ্ড নিৱাসী হাজৰিকাৰ মৃত্যুত মঙলদৈ নগৰত শোকৰ ছাঁ পৰিছে।

0000000

**সমাপ্ত**